**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১। কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে অসমলৈ আহিব।

২। ৰাজ্যত বানৰ ফলত এতিয়ালৈকে ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে। ২৫শতকৈও অধিক গাঁৱৰ ৮৬ টা ৰাজহ চক্ৰৰ অধীনৰ ৰাজ্যৰ ২৬ খন জিলাৰ প্ৰায় ১৪ লাখ লোক এতিয়াও বানৰ কবলত আছে।

৩। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক শাখাত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ মূল অপৰাধীক গ্ৰেপ্তাৰ কৰিছে।

আৰু

৪। চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰাইজিকোভা প্ৰথমবাৰৰ বাবে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে অসমলৈ আহিব। মন্ত্ৰীগৰাকীয়ে এই সময়ছোৱাত ড'নাৰ মন্ত্ৰ্যালয়ৰ বিষয়াবৰ্গ, উত্তৰ-পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে NERACE শীৰ্ষক এটা এপ্লিকেচন মুকলি কৰাৰ লগতে উত্তৰ-পূব পৰিষদৰ অন্য বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰিব।

আজি গুৱাহাটীৰ এল বি বি আই বিমান বন্দৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে জনাই যে কেন্দ্ৰই ড'নাৰ মন্ত্ৰ্যালয়ৰ বাজেট আৱন্তন ২৪ হাজাৰ কোটিৰ পৰা প্ৰায় ৮২ হাজাৰ কোটিলৈ বৃদ্ধি কৰিছে। তেওঁ কয় যে এন ই হৈছে আমাৰ পুৰণি সংস্কৃত আৰু সংস্কাৰৰ ভঁৰাল। কেন্দ্ৰীয় চৰকাৰে আন্তঃগাঠনি, সংযোগ, স্বাস্থ্যসেৱা, শিক্ষা, ষ্টাৰ্টআপ, উদ্যোগীকৰণ আৰু পৰ্যটন উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে শিলচৰ নংৰীম হিলচৰ এন ই চি সচিবালয়ত ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত ভাগ ল'ব আৰু অঞ্চলটোৰ বিভিন্ন প্ৰকল্প আৰু অগ্ৰগতিৰ বিষয়ে আলোচনা কৰিব। উল্লেখযোগ্য যে কাইলৈ মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ নেডফি হাউচ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে উদ্যোগীকৰণ আৰু ষ্টাৰ্টআপক অধিক প্ৰসাৰিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰিব।

00000

ৰাজ্যত বানৰ ফলত এতিয়ালৈকে ৮৪ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰনে প্ৰকাশ কৰা মতে, ২৫শতকৈও অধিক  গাঁৱৰ ৮৬ টা ৰাজহ চক্ৰৰ অধীনৰ ৰাজ্যৰ ২৬ খন জিলাৰ প্ৰায় ১৪ লাখ লোক এতিয়াও বানৰ কবলত আছে।

এইবেলি বানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১০টা গঁড় সহ ১৭৪টা জীৱ-জন্তুৰ প্ৰাণ হানি হৈছে। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সামগ্ৰিক বান পৰিস্থিত ক্ৰমাৎ উন্নত হৈছে যদিও ৪৬টা বন শিৱিৰ আৰু উদ্যানখনৰ ভালেমান অংশ বানত বুৰ গৈ আছে। উদ্যান কৰ্তৃপক্ষৰ তথ্য অনুসৰি ২০১৭ চনৰ বানত ২৪টা গঁড়কে ধৰি মুঠ ২৯১টা বন্য জীৱৰ প্ৰাণ নাশ হৈছিল। একেদৰে উদ্যানখতন ২০১৯ চনৰ বানত ২১টা গঁড়সহ ২২৩টা বন্য জীৱ আৰু ২০২০ চনত ১৯টা গঁড়সহ ১৫৭টা জীৱ-জন্তু মৃত্যু মুখত পৰিছিল। আনহাতে উদ্যানখনত ২০২১ চনত বানৰ ফলত ৪টা গঁড়সহ ২৬টা জীৱ-জন্তু, ২০২২ চনত ১৯টা জীৱ-জন্তু আৰু ২০২৩ চনত ৭টা গঁড়সহ মুঠ ২৯টা জীৱ-জন্তুৰ মৃত্যু ঘটিছিল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানৰ সময়ত ২০১৭ চনত বাহনৰ খুন্দাত তিনিটা, ২০১৯ চনত ১৭টা, ২০২০ত ২২টা, ২০২১ত ১৭টা আৰু ২০২২ তথা ২০২৩ চনত ৯টাকৈ জীৱ-জন্তুৰ প্ৰাণ নাশ হৈছিল। বিগত ২৪ ঘণ্টাত বানপানীত কোনো লোকৰ মৃত্যু হোৱা নাই বুলি প্ৰকাশ পাইছে। আনহাতে, ব্ৰহ্মপুত্ৰ, বুঢ়ীদিহিং, দিচাং আৰু কুশীয়াৰা নদী বিপদ সীমাৰ ওপৰেৰে বৈ থকাৰ লগতে আগন্তুক কেইবাদিনলৈ বিশেষ কিছু অঞ্চলত অতি বৃষ্টি হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ১৮৯টা সাহায্য শিবিৰ আৰু ১১০টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰাৰ লগতে এন ডি আৰ এফ আৰু এছ ডি আৰ  এফ বাহিনীক উদ্ধাৰ কাৰ্য্যত মোতায়ন কৰা হৈছে বুলি জানিব পৰা গৈছে।

00000

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

00000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক শাখাত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিল ঘটনাৰ মূল অপৰাধী ৰাকেশ ৰঞ্জন ওৰফে ৰকি নামৰ এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ব্যক্তিজনক ১০ দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। ৰকিৰ এই চক্ৰৰ আন এজন

মুখ্য ব্যক্তি সঞ্জীৱ মুখীয়াৰ সৈতে যোগসূত্ৰ আছে। সঞ্জীৱ মুখীয়া ২ দশক ধৰি এই কেলেংকাৰীত জড়িত হৈ আছে আৰু পলাতক অৱস্থাত আছে। ৰকিক গ্ৰেপ্তাৰে চি বি আইক তদন্তত সহায় কৰিব। তদন্তকাৰী সংস্থাটোৱে এতিয়ালৈকে ঝাৰখণ্ডৰ হাজাৰীবাগৰ বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু উপ প্ৰধান শিক্ষকসহ ১২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। চি বি আই আৰু বিভিন্ন ৰাজ্যৰ আৰক্ষীয়ে নীটৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ দৰে ঘটনাৰ সৈতে জড়িত এই চক্ৰৰ তদন্ত কৰি আছে। চি বি আইয়ে এই ঘটনা সংক্ৰান্তত বৰ্তমানলৈকে ৬ খন এজাহাৰ ৰুজু কৰিছে।

০০০০০০

কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰিব। অগ্নিপথ আঁচনিক লৈ চলি থকা বিতৰ্কৰ মাজতেই কেন্দ্ৰীয় বাহিনীসমূহে প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰিছে। সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী আৰু সশস্ত্ৰ সীমা বলৰ দৰে কেন্দ্ৰীয় বাহিনীসমূহৰ মুৰববীসকলে কৈছে যে, প্ৰাক্তন অগ্নিবীৰসকলে বয়সৰ উৰ্ধসীমাৰ ক্ষেত্ৰত ৰেহাই লাভ কৰিব আৰু তেওঁলোকৰ বাবে শাৰিৰীক দক্ষতাৰ পৰীক্ষা নাথাকিব।

০০০০০

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক দেশত আত্মহত্যা প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে লোৱা পদক্ষেপসমূহৰ শেহতীয়া স্থিতিৰ বিষয়ে প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত এখন বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক চাৰি দিনৰ ভিতৰত এই প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। ন্যায়ালয়ে শিশু আত্মহত্যাৰ ঘটনা অতি গুৰুতৰ বিষয় বুলি অনুভৱ কৰি কেন্দ্ৰীয় স্বাস্থ্য সঞ্চালকালয়ক এনে ঘটনা প্ৰতিৰোধৰ বাবে বিহিত ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

০০০০০

দিব্যাংগ সবলীকৰণ বিভাগে দিব্যাংগসকলৰ সক্ষমতা বৃদ্ধিৰ বাবে কাম কৰি থকা সংস্থাসমূহক ৰাষ্ট্ৰীয় পুৰস্কাৰৰ আবেদন প্ৰক্ৰিয়াৰ বাবে আমন্ত্ৰণ জনাইছে। সামাজিক ন্যায় আৰু অধিকাৰীতা বিভাগে বিকলাংগসলকৰ উদ্দেশ্যে কাম কৰা সংগঠনসমূহক উৎসাহিত কৰি পৰিচয় প্ৰদান কৰাৰ উদ্দেশ্যে এই পুৰস্কাৰসমূহ প্ৰদান কৰা হয় বুলি প্ৰকাশ কৰে। প্ৰতি বছৰে ৩ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় বিকলাংগ দিৱস উপলক্ষে বিকলাংগসকলৰ উন্নতিৰ উদ্দেশ্যে কাম কৰা ব্যক্তি, সংস্থা, সংগঠন, ৰাজ্য আৰু জিলাসমূহক এই পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে অন লাইন আবেদন চলিত মাহৰ ৩১ তাৰিখলৈ খোলা আছে।

০০০০০

চেক গণৰাজ্যৰ বাৰবোৰা ক্ৰাইজিকোভা প্ৰথমবাৰৰ বাবে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ৩১ সংখ্যক বাছনিপ্ৰাপ্ত ক্ৰাইজিকোভাই যোৱানিশা লণ্ডনত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত কাজাখস্তানৰ এলেনা ৰায়বাকিনাক ৩-৬, ৬-৩, ৬-৪ ছেটত পৰাস্ত কৰে।

০০০০০০০০০

**সমাপ্ত**